# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-09-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

কেন্দ্ৰীয় কেবিনেটে আজি **এখন দেশ এটা নিৰ্বাচনৰ** প্ৰস্তাৱত অনুমোদন জনাইছে। প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ নেতৃত্বত গঠন কৰা সমিতিয়ে দেশৰ সাধাৰণ নিৰ্বাচনৰ সমান্তৰালকৈ ৰাজ্যসমূহতো একেসময়তে নিৰ্বাচন অনুষ্ঠিত কৰা প্ৰস্তাৱ দাখিল কৰিছিল। কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই কথা প্ৰকাশ কৰি কয় যে, ৰামনাথ কোবিন্দৰ নেতৃত্বত গঠন কৰি দিয়া সমিতিখনে নিৰ্বাচনৰ সৈতে জড়িত সকলো পক্ষ তথা ৰাজনৈতিক দল আৰু বিশেষজ্ঞৰ সৈতে মত বিনিময় কৰি প্ৰস্তাৱ দাখিল কৰিছিল। লগতে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে, **এখন দেশ এটা নিৰ্বাচনৰ** প্ৰস্তাৱ দুটা পৰ্যায়ত কাৰ্যকৰী কৰা হ'ব। প্ৰথম পৰ্যায়ত লোকসভা আৰু বিধানসভা নিৰ্বাচন একেলগে পতা হ'ব। নিৰ্বাচনৰ ১০০ দিনৰ পিছত দ্বিতীয় পৰ্যায়ত গাঁও পঞ্চায়ত, পৌৰ নিগম আদি স্থানীয় নিকায়সমূহৰ নিৰ্বাচন পতা হ'ব।

00000000

ৰাজ্যত অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় আৰু অতিৰিক্ত ৰেচন কাৰ্ড প্ৰদানৰ ব্যৱস্থা কাইলৈ শুভাৰম্ভ কৰা হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কাইলৈ দিনৰ ১১ বজাত মাজুলীত এই কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিব। সমগ্ৰ ৰাজ্যৰ লগতে গোলাঘাট জিলাতো কাইলৈ অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় আৰম্ভ হ'ব। এই অনুষ্ঠানৰ বাবে আয়োজিত সভাৰ প্ৰস্তুতি সন্দৰ্ভত আজি গোলাঘাট নগৰৰ জেনেৰেল ফিল্ডত জিলা আয়ুক্তগৰাকীয়ে প্ৰস্তুতিৰ বুজ লয়। আনহাতে কৰিমগঞ্জৰ নীলমণি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অৰুণোদয় আঁচনি তৃতীয় পৰ্যায়ৰ শুভাৰম্ভ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে জিলাখনত আঁচনিৰ শুভাৰম্ভ কৰিব। জিলা প্ৰশাসনে উত্তৰ কৰিমগঞ্জৰ হিতাধিকাৰীসকলক এই অনুষ্ঠানত উপস্থিত থাকিবলৈ আহ্বান জনাইছে।

00000000

সমাগত পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে তিনিচুকীয়া জিলাতো গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ সমষ্টিসমূহৰ পুনৰ গঠন প্ৰক্ৰিয়া অনুষ্ঠিত হৈছে। সেই অনুসৰি নিৰ্ধাৰিত নীতি-নিয়মৰ ভিত্তিত জিলা প্ৰশাসনে যুগুতোৱা নতুন সমষ্টিৰ খচৰা তালিকাখন জিলা আয়ুক্তগৰাকীয়ে সংবাদমেলযোগে প্ৰকাশ কৰে। আয়ুক্তগৰাকীয়ে কয় যে, নতুন নীতি অনুসৰি এটা উন্নয়ন খণ্ড বা আঞ্চলিক পঞ্চায়ত সমষ্টি একাধিক বিধানসভা সমষ্টিত ভাগ হ'ব নোৱাৰে। তদুপৰি জিলা ভিত্তিক খণ্ড আৰু গাঁও পঞ্চায়তৰ সংখ্যাৰো তাৰতম্য হ'ব নোৱাৰে। সেই অনুসৰি শদিয়া সমষ্টিৰ অন্তৰ্গত শদিয়া আৰু ছৈখোৱা আঞ্চলিক পঞ্চায়ত বা উন্নয়ন খণ্ড থাকিব। ডুমডুমা সমষ্টিৰ অন্তৰ্গত ডুমডুমা উন্নয়ন খণ্ড নামেৰে নতুন খণ্ড গঠন কৰা হ'ব। একেদৰে ডিগবৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত ডিগবৈ উন্নয়ন খণ্ড, মাকুম সমষ্টিৰ অন্তৰ্গত মাকুম উন্নয়ন খণ্ড, মাৰ্ঘেৰিটা সমষ্টিৰ অন্তৰ্গত মাৰ্ঘেৰিটা উন্নয়ন খণ্ড, তিনিচুকীয়া সমষ্টিৰ অন্তৰ্গত ইটাখুলি উন্নয়ন খণ্ড হিচাপে পুনৰ গঠন কৰি পূৰ্বৰ কেইবাটাও খণ্ডৰ নাম আৰু সীমাৰ পৰিৱৰ্তনৰ প্ৰস্তাৱ দিয়া হৈছে। অৱশ্যে পুনৰ গঠনৰ পাছতো জিলাখনত উন্নয়ন খণ্ড পূৰ্বৰ দৰে ৭টা আৰু গাঁও পঞ্চায়তৰ সংখ্যা ৮৫ খন হৈ থাকিব। বিভিন্ন সাল-সলনিৰ খচৰা প্ৰস্তাৱ সন্দৰ্ভত কাৰোবাৰ ওজৰ-আপত্তি বা পৰামৰ্শ থাকিলে ২০ ছেপ্তেম্বৰৰ ভিতৰত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াৰ ওচৰত দাখিল কৰিব পাৰিব। অহা ২৩ৰ পৰা ২৫ ছেপ্তেম্বৰৰ ভিতৰত জিলাভিত্তিক ৰাজহুৱা শুনানী গ্ৰহণ কৰা হ'ব আৰু ২৭ ছেপ্তেম্বৰত চূড়ান্ত জাননী জাৰি কৰা হ'ব বুলি আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। আয়ুক্তগৰাকীয়ে লগতে ৰাইজক নিৰ্দিষ্ট সময়ৰ ভিতৰত পৰামৰ্শ বা আপত্তি আদি থাকিলে লিখিতভাৱে দাখিল কৰিবলৈ আহ্বান জনাইছে।

একেদৰে গোলাঘাট জিলাৰ গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ সীমা নিৰ্ধাৰণ সম্পৰ্কীয় খচৰা প্ৰকাশ কৰাৰ বিষয়ে জিলা আয়ুক্তগৰাকীয়ে সংবাদমেলক সম্বোধন কৰি জানিবলৈ দিয়ে। খচৰা সন্দৰ্ভত ১৮ৰ পৰা ২০ ছেপ্তেম্বৰৰ ভিতৰত গোলাঘাট জিলা পৰিষদৰ কাৰ্যালয়ত ব্যক্তিগত বা ৰাজহুৱা দল-সংগঠনৰ আবেদন গ্ৰহণ কৰা হ'ব। প্ৰয়োজনীয় শুনানী আৰু সংশোধনৰ অন্তত অহা ২৭ ছেপ্তেম্বৰত চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব বুলি জানিবলৈ দিয়ে।

0000000

অভিভাৱক মন্ত্ৰী লাভৰ পাছত প্ৰথমবাৰৰ বাবে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু মাজুলীত উপস্থিত হয়। মন্ত্ৰীগৰাকীয়ে বিজেপিৰ মাজুলী জিলা কাৰ্যালয়ত উপস্থিত হৈ দলৰ সদস্যতা অভিযান আৰু অৰুণোদয় তৃতীয় পৰ্যায়ৰ আঁচনি ৰূপায়ণৰ সন্দৰ্ভতো মত বিনিময় কৰে।

0000000

ৰাজ্য চৰকাৰৰ সামাজিক ন্যায় আৰু সৰলীকৰণ সঞ্চালকালয় আৰু জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদ অসমৰ উদ্যোগত আৰু অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সহযোগত শিৱসাগৰ যুৱদৌল প্ৰেক্ষাগৃহত আজি জ্যেষ্ঠ নাগৰিকৰ সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হয়। জ্যেষ্ঠ নাগৰিকৰ মাজত অনুষ্ঠিত সাংস্কৃতিক সমাৰোহৰ সংগীত প্ৰতিযোগিতাত শিৱসাগৰৰ বিভিন্ন প্ৰান্তৰ অৱসৰী জীৱন কটাই থকা জ্যেষ্ঠ নাগৰিকসকলে সংগীত প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰে। জ্যোতিসংগীত, ৰাভা সংগীত আৰু ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাত মুঠ ১২৩ গৰাকী বয়োজ্যেষ্ঠ প্ৰতিযোগীয়ে গীত পৰিৱেশন কৰে।

০০০০০০০

নগাঁও জিলাৰ কলিয়াবৰৰ সোণাৰি কামাখ্যা অঞ্চলত বাঘৰ উপদ্ৰৱ ৰোধ কৰাৰ বাবে অত্যাধুনিক পাৱাৰ ফেন্সিং দিয়া হ'ব বুলি মন্ত্ৰী কেশৱ মহন্তই প্ৰকাশ কৰিছে। কামাখ্যা গাঁও হৰিমন্দিৰ প্ৰাংগনত বাঘৰ উপদ্ৰৱ সন্দৰ্ভত স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰি মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে বাঘৰ উপদ্ৰৱৰ পৰা ক্ষতিগ্ৰস্ত ৰাইজক আৰ্থিক সকাহ দিয়াৰ বাবে WWFৰ তৰফৰ পৰা ক্ষতিগ্ৰস্ত ৰাইজক প্ৰথম পৰ্যায়ৰ বাবে আৰ্থিক সাহায্য প্ৰদান কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে পৰৱৰ্তী সময়তো ৰাইজক সকাহ দিবলৈ ব্যৱস্থা লোৱা হৈছে। তদুপৰি বন্যপ্ৰাণীৰ উপদ্ৰৱৰ পৰা অঞ্চলটো সুৰক্ষিত কৰি ৰখাৰ বাবে কাৰ্যব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০০০

**সমাপ্ত**